**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নং ঃ ১১৬/২০২০**

# তৃণমূল পৰ্যায়ৰ ক্ৰীড়া প্ৰতিভাসমূহ চিনাক্ত কৰাৰ বাবে ক্ৰীড়া সংগঠনসমূহক মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ৯ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী তথা অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱালৰ সৈতে আজি মাজুলীৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত মাজুলী জিলা ক্ৰীড়া সন্থা আৰু ইয়াৰ লগত জড়িত অন্যান্য সন্থাসমূহৰ এক বৈঠক অনুষ্ঠিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে স্থানীয় ক্ৰীড়া প্ৰতিভাসমূহ চিনাক্ত কৰি তেওঁলোকক আগুৱাই নিয়াৰ বাবে আহ্বান জনায়।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্য চৰকাৰে জিলা পৰ্যায়ত গ্ৰাম্য বুনিয়াদ অলিম্পিক প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। এই প্ৰতিযোগিতা আয়োজনৰ জৰিয়তে ক্ৰীড়াৰ ক্ষেত্ৰখনৰ বিকাশ সাধনৰ লগতে ক্ৰীড়া নৈপুণ্যতা প্ৰদৰ্শনৰ ক্ষেত্ৰত নতুন প্ৰতিভাসমূহক অধিক আগুৱাই নিয়াৰ দিশত ক্ৰীড়া সন্থাসমূহে গুৰুত্ব আৰোপ কৰিব লাগিব। মাজুলী জিলাত এই ক্ষেত্ৰত ১৭৫ টা ক্লাব পঞ্জীয়ন কৰিবলৈ আৰু জিলাখনৰ ক্ৰীড়া প্ৰতিভাসমূহ উলিয়াই অনাৰ বাবে এই ক্লাব সমূহক ব্যৱহাৰ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে ক্ৰীড়া সন্থাসমূহক নিৰ্দেশ দিয়ে।

একবিংশ শতিকা প্ৰতিযোগিতাৰ যুগ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ক্ৰীড়া সন্থাসমূহে নতুন প্ৰজন্মক প্ৰতিযোগিতামুখী মানসিকতাৰে আগুৱাই নিব লাগিব। মাজুলী জিলাত ক্ৰীড়াৰ গুণগত প্ৰশিক্ষণৰ প্ৰয়োজনীয়তাৰ দিশটোৰ কথা উল্লেখ কৰি ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতি (এছ এল এ চি) ৰ সদস্য সচিব লক্ষ্য কোঁৱৰক এই ক্ষেত্ৰত যথোচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। লক্ষ্য কোঁৱৰে জিলাখনৰ পৰা ৫ গৰাকী ব্যক্তিক চিনাক্ত কৰিবলৈ ক্ৰীড়া সন্থাক কয় যাতে তেওঁলোকক আধুনিক প্ৰশিক্ষণৰ জ্ঞান আহৰণ কৰিবৰ বাবে পাটিয়ালাত থকা নেতাজী সুভাষ নেশ্বনেল ইনষ্টিটিউট অৱ স্পৰ্টছলৈ এছ এল এ চিয়ে প্ৰেৰণ কৰিব পাৰে। মাজুলী জিলাত ক্ৰীড়া বিষয়া নথকাৰ পৰিপ্ৰেক্ষিতত এগৰাকী সহকাৰী আয়ুক্তক ইয়াৰ দায়িত্ব দি জিলাখনৰ ক্ৰীড়াৰ বিষয়সমূহ চোৱা-চিতা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে উপায়ুক্ত বিক্ৰম কৈৰীক নিৰ্দেশ দিয়ে। জিলাখনত উন্নত মানদণ্ডৰ ক্ৰীড়া আন্তঃগাঁথনি গঢ়ি তোলাৰ উদ্দেশ্যে জিলা ক্ৰীড়া সন্থা আৰু অন্যান্য ক্ৰীড়া সন্থা সমূহক সহযোগিতাৰ কাম-কাজ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

আজিৰ এই বৈঠকত অসম অলিম্পিক সন্থা আৰু মাজুলী জিলা ক্ৰীড়া সন্থাৰ বিষয়ববীয়াসকল উপস্থিত আছিল।

**সুঃদঃ / পুঃডেঃ / প্ৰঃকুঃবঃ**
**৯/০৩/২০২০**

---